# দুটি কবিতা

শ্ৰীললিত চন্দ্ৰ ৰাভা
২য় বাৰ্ষিক, উঃ মাঃ

(১)

আশ্ৰয় বিচাৰি যাওঁতে
তুমি টুকুৰা টুকুৰ কৰি দিছিলা
মোৰ হৃদয়
ছিন্ন টুকুৰাবোৰ উৰি ফুৰিছিল
শূইনত
হৃদয়খন ফালি দিওঁতে
তেজবোৰ লাগি ৰৈছিল
তোমাৰ হাতত।

(২)

অসীম দিগন্ত বিয়পি
বৈ যায় বাসনাৰ
ক্ষত ধাৰা
সিঁচি দিয়ে উৰ্বৰ বুকুৰ
সৃষ্টিশীল পলস
ফুলিবতো পাৰে তাত
সুগন্ধৰে ভৰা জীৱন ফুল। * * *

# মই যেতিয়াই গৈছিলো

শ্ৰীপ্ৰদীপ কলিতা
২য় বাৰ্ষিক, উঃ মাঃ

বৰ লুইতৰ পাৰত
ফুলবোৰ ফুলিছিল
ভোমোৰাই গুণ-গুণাইছিল
কহুৱাৰ হাত বাউলিয়ে
আমাক মাতিছিল।
নিষ্ঠুৰ হাতৰ আঘাতত
ফুলবোৰ সৰি পৰিল
কহুৱাবোৰ পাৰত
থৰ হৰাই কঁপি উঠিল
লুইতখনে চিঞৰি চিঞৰি
নামি গ'ল তলসৰা
ফুলবোৰ সাৰতি। * * *

# ছিন্ন মূল

শ্ৰীৰামদয়াল মহন্ত
২য় বাৰ্ষিক, উঃ মাঃ

ইহঁত সদায়ে ওলাই যায়
অনিশ্চিত এমুঠি অন্নৰ বাবে
আও পুৰণি দাখন আৰু কান্ধৰ
সিয়নি দিয়া ফটা জোলোঙাত
ইহঁতৰ পৰিচয় ।
সিহঁতো কেতিয়াবা আহে
গাড়ীৰ কোমল চোফাত বহি
বজা হোৱাৰ সপোন লৈ
কান্ধত জোলোঙা নাই
সিহঁতে দিবলৈকে আহে
ভাঙি ধৰে দুচকুত
তিৰ্‌বিৰ্‌ সুখৰ ছবি
লৈ যায় উজাৰি দিয়া
অধিকাৰৰ একেটি সম্পদ
অদূৰত মুখ মেলি
পৰি থাকে স্বাধীনতা
গণতন্ত্ৰ সমাজবাদ । * * *

# শৰ বিদ্ধ

শ্ৰীনৰ কুমাৰ কলিতা
১ম বাৰ্ষিক, স্নাতক মহলা

ঠন্ ঠনাই ভাঙি যায়
আশাৰ কাৰেং
পাৰ হয় বহু বিনিদ্ৰ ৰজনী
জীৱনৰ জয়াল বনত
বেজাৰত উথহে চকুৰ পতা
ফুলশয্যাৰ নিশাও
তাই উচুপে
টোপা—টোপে চকুলো নিগৰে
শৰবিদ্ধ হৰিণীৰ তেজৰ দৰে । × ×

# স্মৰণিকা

শ্রীনলিনী কুমাৰ খাথলাৰী
২য় বাৰ্ষিক, উঃ মাঃ

সাঁচি ৰাখো স্বপ্নীল
স্মৰণিকা মোৰ নিভৃতত
শতেকৰ শুভাকাংখী হৈ
মৃত্যুৰে মৃত্যুক জয় কৰি
চিৰজীৱি তোমালৈ বুকৈ
মনত পৰে
উজাগৰী ৰতাহত ভাহি আছে
তোমাৰ কণ্ঠৰ সংগ্রামী
চেতনা
আৰু তোঁমাই স্বদেশৰ যতনাত
ডেউকা ভগা পখীৰ দৰে
মই চট্-ফট্ কৰোঁ।

# লিখা যায় নেকি

কুমাৰী দীপিকা দেৱী
২য় বাৰ্ষিক, স্নাতক মহলা

আমাৰ আশে পাশে
অন্যায়ৰ এক্কাৰ কুণ্ডলী
সকলোতে শেন চকু শোষকৰ
কোনে গিলি খলে
কাংখিত উদাৰতা।
পূৰ্ব-পুৰুষে দি যোৱা
পাপৰ বোজাত
আমি ক্লান্ত,
ভাবিছো নিৰৱতা নেওঁচি
প্ৰায়চিত্তৰ নিতুন বিধান এখন
লিখা যায় নেকি। * * *

# মোৰ কবিতা

শ্ৰীৰজনী কান্ত বড়ো
২য় বাৰ্ষিক, উঃ মাঃ

মোৰ কবিতা এক চিৰন্তন নৈ
বৈ থাকে নতুন সাহস
নতুন গতিৰে
জাজি হৈ উঠি যায়
হিংসা-দ্বেষ ক্লান্তিৰ
কালিমা।
মোৰ কবিতা বিশুদ্ধ হোমাগ্নি
পুৰি নিয়ে কুখ্যাত ছবিৰ
যত আৱৰ্জনা ।
মোৰ কবিতা মনোৰম মলয়া
জাকি মাৰি উৰি ফুৰে
বিচিত্ৰ পখিলা । * * *

# কেতিয়াবা মোক মাতে

শ্ৰীদিগন্ত কুমাৰ বাভা
২য় বাৰ্ষিক উঃ মাঃ

তাই কেতিয়াবা মোক মাতে
আকাশৰ তৰা হৈ
গছৰ ডালত থকা চৰাই হৈ,
নদীৰ বুকুত থকা
ৰূপোৱালী বালি হৈ অই
মোক মাতে
সেই চিনাকী মুখখনে
কুৱলীৰ মাজৰ পৰা
কেতিয়াবা মোক মাতে
ক'ত বাধ্য পুতি থলে তাইক
মোৰ শত্ৰু বোৰে
কেতিয়াবা বিচাৰি পালে
সাজি ল'ম তাতে এক
শত্ৰুৰ অভেদ্য উদ্যান । × ×

## —তৃষ্ণা—

শ্ৰীলক্ষেশ্বৰ হাজৰিকা
২য় বাৰ্ষিক, স্নাতক মহলা

মোৰ দৃষ্টিৰ সীমান্ত ভেদি
বৈ আছে এখনি ৰূপালী নৈ
উটি ফুৰে স্মৃতিৰ জাহাজ,
অধীৰ অপেক্ষাৰে বৈ থাকো মই
পাৰ পাই সাজিম কাৰেং,
বিগত দিনৰ সোণালী সপোনবোৰ
হয়তো এটি দুটি
জীৱনৰে পাহি ।

## এটি গীত

মিচ্ দীপিকা কলিতা
২য় বাৰ্ষিক, স্নাতক মহলা

মই বৈ আছো মনৰ দুৱাৰ খুলি
এদিন আহি হেপাহঁ পূৰাবা বুলি ॥

পুৱাতে পখীৰ কাকলিত
শুনো মই তোমাৰ বাতৰি
শেৱালীৰ সুৰভিয়ে পুলক জগাই
মনে মোৰ কিয়নো তোমাকে ধিয়াই
জয়ৰ তিলক পিন্ধি আহিবা তুমি
মেঘৰ মোহনা ফালি ॥

ন সুবুজৰ হেঙুলি বৰণে
তুমি অহাৰ পথত দিব চাতিয়াই
আশাৰ কুসুম পাহি
ৰাখিছো যতনে মনৰ মালাধাৰি
তোমাক সজাম তুলি ॥

# টুকুৰা মায়াৰ ছাঁ

বসন্ত কুমাৰ দত্ত
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

[ এক ]

বহাগৰ বকুল ফুলৰ সুবাস
এতিয়া অন্তৰ্হিত
ফুলবোৰ পুতি দলে গধূলিৰ
ঘৰমুৱা গৰুৰ খোজে
নিয়ৰৰ কোমল আঘাতত
সৰি পৰিল শৰতৰ
শুভ্ৰ শেৱালী
তেনেই সকৰুণ এক
শব্দহীন পৰিক্ৰমা ।

[ দুই ]

সূৰ্য-শিখাৰ চমকত
চিক্-মিকাই উঠে মোহময়ী
মাটিৰ পৃথিৱী,
শীৰ্ণ দুহাত মেলি
বিচাৰি চাওঁ হেৰাই থকা
পুৰাতন প্ৰেমৰ প্ৰতীক ।

[ তিনি ]

মোৰ চিনাকি পৃথিৱীৰ
পথে-প্ৰান্তৰে ঘৃণা আৰু
বৈৰীতাৰ উলঙ্গ-উৎসৱ
ৰঙহৰ তেজে ধোৱা
দুৰন্ত হাতৰ হেঁচাত হালি পৰে
বিশ্বাসৰ পাখিলাহি
উন্মুক্ত পতাকা
সেয়ে এতিয়া কলম ললেই
নিগৰি ওলাই কিকৃচিনাৰ
বিক্ষুব্ধ কবিতা ।

[চাৰি ]

জীৱনৰ বৈদূৰ্য হয়নে বিদূৰত
আৰেই যে ছবি বুকুৰ মাজত
অগা-ডেৱা কৰে
অহৰ্নিশে,
'কিনো জুয়ে লগা চকু'—
খুলি চালেই দেখা পাওঁ
বুৰঞ্জীৰ পাতত মোলান নপৰা
থওাল প্ৰেমৰ দাগ ।
এইযে আজি-কালি প্ৰাচীৰত
নোপোৱাৰ দুৰ্মদ বিভিন্ন 'কোৰাছ'
হৰওঁতো পাৰে বুৰঞ্জীৰ
তগ্‌মগ্ নতুন এপিঠি
কিয়ে আকলুৱা বুকু ।

# এই বেলি বিহুতে

শ্ৰীযুগল কিশোৰ নাথ
প্ৰবক্তা, ভূগোল বিভাগ

বিহুটি আহিলে ৰমকে জমকে
আনন্দত উপচে মন
এই বেলি বিহুটি কেনেকৈ আদৰো
হেৰালে বুকুৰে ধন।
বাঙলী ৰবদৈ চিলাজনী
কোনি আহি কোনি গ'ল
গমকে নেপালো
বহাগৰ কাহিলি পুৱাতে
অসমীৰ বুকুতে তেজে
ফাকু খেলিলে
কুলি কেতেকীৰ সুমধুৰ মাত
ক'তেনো হেৰাল
কাউৰীজনীয়ে ঘনে কমলিয়ায়
কেঁচা তেজতে ঠোঁটটি তিয়াই,
ঢোল-পেঁপা গগণাৰ মাত
কোনে কাঢ়ি নিলে
ভাইৰে বুকুতে ভায়ে শেল শালিলে
বিহুটি বিহৰে হ'ল।
ৰংমন ধনবৰ ভদীয়া গ'ল
জেউতি জানকী সেউতী-মালতীৰ
কপাল উকা হ'ল,
ভাইটিৰ বিৰহত আয়ে উচুপিছে
বহাগৰ বিহুটিত ৰাংঢালী বায়েকে
কোনটো সতেৰে নাচে।

ত'ত শালৰ ফুলামকৈ গামোছাত
ছাইহে দেখিলো
চৰকাৰী ধনেৰে লঘোণীয়া পেটেৰে
বিহুগীত গাবলৈ গাত বল নেপালো।
ভোগদৈৰ ভোগালী সিও হ'ল কঙালী
জহা ৰবাধানে থোৰ নো-মেলোতেই
গছকত থেতেলা হ'ল
মাঘৰে মেজিটি ৰঙাকৈ ন-জ্বলিল
লখিমীৰ ভৰালটি খালি হে ৰ'ল।
কোনে ক'ত বৰবিহ ঢালিলে
সাতাম পুৰুষীয়া মিলনৰ সাকোখন
কিয়নো চিঙিলে
মনৰ মালিবোৰ ধুই
জুয়ে পোৰা সাকোখন
ন-কৈ বান্ধিবলৈ
শপত লওঁ আহা
তেজে ধোৱা এই বিহুতে। ×××

# টুকুৰা মায়াৰ ছাঁ

বসন্ত কুমাৰ দত্ত
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

[ এক ]

বহাগৰ বকুল ফুলৰ সুবাস
এতিয়া অন্তৰ্হিত
ফুলবোৰ পুতি থলে গধূলিৰ
ঘৰমুৱা গৰুৰ খোজে
নিয়ৰৰ কোমল আঘাতত
সৰি পৰিল শৰতৰ
শুভ্ৰ শেৱালী
তেনেই সকৰুণ এক
শব্দহীন পৰিক্ৰমা ।

[ দুই ]

সূৰ্য-শিখাৰ চমকত
চিক্-মিকাই উঠে মোহময়ী
মাটিৰ পৃথিৱী,
শীৰ্ণ দুহাত মেলি
বিচাৰি চাওঁ হেৰাই থকা
পুৰাতন প্ৰেমৰ প্ৰতীক ।

[ তিনি ]

মোৰ চিনাকি পৃথিৱীৰ
পথে-প্ৰান্তৰে ঘৃণা আৰু
বৈৰীতাৰ উলঙ্গ-উৎসৱ
ৰঙহৰ তেজে ধোৱা
দুৰন্ত হাতৰ হেঁচাত হালি পৰে
বিশ্বাসৰ পাখিলাহি
উন্মুক্ত পতাকা।
সেয়ে এতিয়া কলম ললেই
নিগৰি ওলাই কিংচিনাৰ
বিক্ষুব্ধ কবিতা ।

[চাৰি ]

জীৱনৰ বৈদূৰ্য হয়নে বিদূৰত
তাৰেই যে ছবি বুকুৰ মাজত
অগা-ডেৱা কৰে
অহৰ্নিশে,
'কিনো জুয়ে লগা চকু'—
খুল চালেই দেখা পাওঁ
ৰুৰগ্ৰীৰ পাতত মোলান নপৰা
খঙাল প্ৰেমৰ দাগ ।
এইযে আজি-কালি প্ৰাচীৰত
নোপোৱাৰ দুৰ্মদ বিভিন্ন 'কোৰাছ'
হৰওঁতো পাবে ৰুৰগ্ৰীৰ
তগ্‌মেগ্ নতুন এপিঠি
কিযে আকলুৱা বুকু ।

# এই বেলি বিহুতে

শ্ৰীযুগল কিশোৰ নাথ
প্ৰৱক্তা, ভূগোল বিভাগ

বিহুটি আহিলে ৰমকে জমকে
আনন্দত উপচে মন
এই বেলি বিহুটি কেনেকৈ আদৰো
হেৰালে বুকুৰে ধন ।
ৰাঙলী ৰবদৈ চিলাজনী
কেনি আহি কেনি গ'ল
গমকে নেপালো
বহাগৰ কাহিলি পুৱাতে
অসমীৰ বুকুতে তেজে
ফাকু খেলিলে
কুলি কেতেকীৰ সুৱদী মাত
ক'তেনো হেৰাল
কাউৰীজনীয়ে ঘনে ৰমলিয়ায়
কেঁচা তেজতে ঠোঁটাট তিয়াই,
ঢোল-পেঁপা গগণাৰ মাত
কোনে কাঢ়ি নিলে
ভাইৰে বুকুতে ভায়ে শেল শালিলে
বিহুটি বিহৰে হ'ল ।
ৰংমন ধনবৰ ভদীয়া গ'ল
জেউতি জানকী সেউতী-মালতীৰ
কপাল উকা হ'ল,
ভাইটিৰ বিবহত আয়ে উচুপিছে
বহাগৰ বিহুটিত ৰাংঢালী বায়েকে
কোনটো সতেৰে নাচে ।


তাঁত শালৰ ফুলামকৈ গামোছাত
ছাইহে দেখিলো
চৰকাৰী ধনেৰে লঘোণীয়া পেটেৰে
বিহুগীত গাবলৈ গাত বল নেপালো ।
ভোগদৈৰ ভোগালী সিও হ'ল কঙালী
জহা ৰৰাধানে থোৰ নো-মেলোতেই
গছকত থেতেলা হ'ল
মাঘৰে মেজিটি ৰঙাকৈ ন-জ্বলিল
লখিমীৰ ভৰালটি খালি হৈ ৰ'ল ।
কোনে ক'ত ৰৰ্ষবিহ ঢালিলে
সাতাম পুৰুষীয়া মিলনৰ সাকোখন
কিয়নো চিঙিলে
মনৰ মলিবোৰ ধুই
জুয়ে পোৰা সাকোখন
ন-কৈ বান্ধিবলৈ
শপত লওঁ আহা
তেজে ধোৱা এই বিহুতে । ×××

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ একতা সভাৰ কাৰ্যকৰী সমিতি—১৯৮৮-৮৯



ৰহি ( বাওঁফালৰ পৰা ) অধ্যাপিকা বিনয়া দেৱী ( তত্বাৱধায়িকা, ছাত্ৰী জিৰণি কোঠা ), অধ্যাপক মৃগেন্দ্ৰ কুমাৰ শৰ্মা ( তত্বাৱধায়ক ছাত্ৰ জিৰণি কোঠা ), অধ্যাপক শৰৎ তালুকদাৰ ( উপ-সভাপতি ), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ ( সভাপতি ), অধ্যাপক বসন্ত কুমাৰ দত্ত ( তত্বাৱধায়ক, 'জৱাহৰ জ্যোতি' ', অধ্যাপক অবনী কুমাৰ দাস ( তত্বাৱধায়ক, সমাজ সেৱা ), অধ্যাপক মজিবৰ ৰহমান ( তত্বাৱধায়ক, তৰ্ক আৰু আলোচনা চক্ৰ ), অধ্যাপক মদন চন্দ্ৰ কাকতি ( তত্বাৱধায়ক, খেল বিভাগ )।

থিয় হৈ ( বাওঁফালৰ পৰা ) সিদ্ধিনাথ শৰ্মা ( সম্পাদক, সমাজ সেৱা ), লক্ষ্মণ ৰাভা ( সম্পাদক, খেল বিভাগ ), মধুমিতা দাস ( সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ), মীৰা মহন্ত ( সম্পাদিকা, তৰ্ক আৰু আলোচনা চক্ৰ ), জ্যোতিষ দাস ( সম্পাদক, সাংস্কৃতিক বিভাগ ), বাবুল ডেকা ( সম্পাদক, ছাত্ৰ জিৰণি কোঠা ), হৰ্ষ কলিতা ( সম্পাদক, জৱাহৰ জ্যোতি )।




| | | |
|---|---|---|
| বাঘৰনৰ হাঁহি | মিচ গজমতী সাহা | ১ |
| অশ্রু | শংকৰ মহন্ত | ৫ |
| পতাকা | ফজলুৰ ৰহমান খান | ৯ |
| আদৰ্শৰ সন্ধানত এজন ডেকা ল'ৰা | কৈলাশ কলিতা | ১২ |
| ৰূপালী জয়ন্তী আৰু নেহৰু শতবাৰ্ষিকী | শ্ৰী যতীন্দ্ৰ চন্দ্ৰ নাথ | ১৬ |

# —ৰাঘৱনৰ হাঁহি—

মিচ্ গজমতী সাহা
২য় বাৰ্ষিক, স্নাতক মহলা

কফি ৰঙৰ অ'ত ত'ত উৰালি যোৱা কামিজটো গাত সুমুৱাই, ৰঙচুৱা ঠৰঙা চুলি কেইডাল ফনিয়াই ফনিয়াই ৰাঘৱন ওলাই আহিছিল তাৰ ঘৰটোৰ পৰা। ৰাঘৱনৰ ঘৰখনক ঘৰ বুলি নকলেও হয়। চহৰৰ এমূৰত থকা হৰিজন কল'নীটোৰ একেবাৰে বাওঁফালে কেবাচিন টিনৰ উৰালি যোৱা পাত কেইচলামানকে চাল কৰি দি দীঘলে দহফুট মান আৰু বহলে আঠফুট মান মাটি এডোখৰ ভগা চাৰি কেইখন মানেৰে আৱৰি সি থকাৰ ব্যৱস্থা কৰি লৈছে। ভিতৰত এখন খাটিয়া, মলিয়ন পোচাক দুটামান, মাটিৰ কলহ এটা আৰু দুটামান গিলাচৰ বাহিৰে তাৰ সম্পত্তি বুলিবলৈ দেখাত আন একোৱেই নাই।

ৰাতি পুৱাতে সি ঘৰৰ পৰা ওলাই যায় আৰু ৰাতি বাৰমান বজাৰ পিছতহে টলং পলংকৈ আহি ঘৰ সোমায়। এটোটা ৰাতিৰ অৱসান হলেই ৰাতি পুৱাই আকৌ ওলায় পৰে সি তাৰ গন্তব্যস্থানলৈ। ৰাঘৱনৰ গন্তব্যস্থান তথা কৰ্মস্থল মেডিকেল কলেজ হস্পিটেল।

ৰাঘৱনৰ বয়স পঞ্চত্ৰিশতকৈ বেছি হব। বহল কান্ধ আৰু বুকুৰে তাৰ শক্তিশালী দেহটোত আঠুৰ তললৈ পৰা সবল হাত দুখন যেন ভালদৰে বাজিতা খাই পৰে। তাৰ গাৰ বৰণ পোৰা ইটাৰ দৰে। কিমান দিন যে তাৰ গাত পানী পৰা নাই তাৰ হিচাপ তাৰ নিজৰেই নাই। তাৰ দাঁত কেইটা আকৃতিত বৰ্গক্ষেত্ৰাকাৰ আৰু সম্ভৱত কাহানিও পৰিষ্কাৰ নকৰা বাবে বিভিন্ন খাদ্য দ্ৰব্যৰ অৱশিষ্টৰ দাগ পৰি সিবোৰে এক বিচিত্ৰ ৰূপ ধাৰণ কৰিছে। নাকৰ ঠিক তলৰ পৰাই আৰম্ভ হোৱা তাৰ বিৰাট গোঁফ কোচা গালৰ ভালেখিনিলৈকে বিয়পি পৰি দুই মূৰে দুটা পাক খাই গৈছে। তাৰ চকু দুটা জবা ফুলৰ দৰে ৰঙা। সম্ভৱ অনবৰত পান কৰি থকা সন্তীয়া মদৰ প্ৰতিক্ৰিয়া।

ৰাঘৱন হস্পিটেলৰ হৰিজন। মালিক বিহীন মৰাশ আৰু ভূমিষ্ঠ হৈয়ে মৃত্যু বৰণ কৰা নাইবা মাতৃ গৰ্ভতে মৃত্যুহে ভূমিষ্ঠ হোৱা শিশুবোৰক কাঢ়িয়াই সি যথাস্থানত পেলাই দিয়াই তাৰ মুখ্য কাম। তাৰ বিণিময়ত নগদ পইচা আদায় কৰি লোৱা আৰু সময়ে সময়ে সুবিধা বুজি প্ৰয়োজনতকৈ বেছি ধন আদায় কৰি লোৱা তাৰ নিত্য-নৈমিত্তিক স্বভাৱৰ ভিতৰত। জীৱনত কত মৰাশ, কত মৃত শিশু সি তাৰ দুখন হাতেৰে পেলাইছে তাৰ লেখ-জোখ সি কোনো দিনেই কৰা নাই। ৰাতিপুৱা ঘৰৰ পৰা ওলাইয়ে সি মনে মনে ভাৱে তাৰ ভাগ্যত সেইদিনা কেইটা মৰাশ বা মৃত শিশু মিলিব। যিমানে মৃত শিশু বা মালিক বিহীন মৰাশ ওলায় সিমানে তাৰ ইনকাম। ৰাঘৱনৰ কাম কিন্তু নগদ নগদ। মৃত শিশু সকলৰ পিতৃ মাতৃৰ পৰা হিচাপ কৰি কঢ়াই-গণ্ডাই ধন আদায় কৰি লবলৈ কোনো দিনেই সি কুণ্ঠাবোধ কৰা নাই। কোনো দিনে সি বুজিবলৈও

চেষ্টা কৰা নাই মৃত শিশুৰ পিতৃ-মাতৃৰ মানসিক অৱস্থা। তাৰ সম্বন্ধ যেন মৰণৰ লগতহে—জীৱনৰ লগত নহয়। সেয়ে পঁচিশ বছৰ বয়সতে মূৰ পাতি লোৱা হস্পিটেলৰ এই নিষ্ঠুৰ কামটোৰ দায়িত্ব আজিও সি আনন্দে পালন কৰি আছিছে।

এখোজ দুখোজকৈ আগবাঢ়িছিল বাঘবন। অস্পষ্টৰ পৰা ক্ৰমশঃ স্পষ্ট হৈ উঠিছিল প্ৰভাতৰ প্ৰথম পোহৰ অপৰ্যাপ্ত ধূসৰৰ মাজৰ পৰা ক্ৰমশঃ বিচ্ছুৰিত ৰঙা ৰঙৰ উজ্জ্বলতাবোৰ বিয়পি পৰিছিল ৰাস্তাৰ দুই ফালৰ গছ-গছনিত। শালিকী, কাউৰী আৰু নাম নজনা কিছুমান চৰাই তাৰ দৰে ওলাই পৰিছিল জীৱিকাৰ অন্বেষণত। আৰম্ভ হৈছিল মানুহবোৰৰো জীয়াই থকাৰ ব্যস্ততা। সোঁফালৰ পৰা বাওঁ ফাললৈ, বাওঁফালৰ পৰা সোঁফাললৈ ক্ৰমাগত অহা-যোৱা কৰিছে মানুহবোৰ। ওখ মানুহ, চাপৰ মানুহ, ক্ষীণ মানুহ, শকত মানুহ, বেমাৰী মানুহ, ভাল মানুহ, বেয়া মানুহ। এফালৰ পৰা আন ফালে, ইটো মূৰৰ পৰা সিটো মূৰলৈ বিভিন্ন শব্দ তুলি অহা-যোৱা কৰিছে বাছ, টেক্সী, মটৰ, স্কুটাৰ, চাইকেল আৰু বিবিধ যান-বাহন। কোন কলৈ যায়, কি কাৰ ইচ্ছা, উদ্দেশ্য অভিপ্ৰায় বুজা অসম্ভৱ। এনে লাগে যেন সকলো এক তুমুল সংগ্ৰামত ব্ৰতী।

ৰাস্তাৰ মাজেদি ৰাস্তাৰ এটা ফুট পাথৰ পৰা আনটো ফুট পাথলৈ পাৰ হৈ গল বাঘবন। চাহ দোকান, পান দোকানৰ পৰ্ব শেষ কৰি ছিগাৰেট এডাল জ্বলাই লৈ অলপ অন্য মনস্কভাবে বাঘবনে এইবাৰ ৰাস্তাৰ দাঁতিৰে আগ বাঢ়ি গৈ আছিল। দমুৰাৰ দৰে হঠাত দ্ৰুত গতিৰে চলন্ত ট্ৰাক এখন তাৰ গাৰ নিচেই ওচৰেৰে পাৰ হৈ যোৱাত সি সাৱধান হৈ পৰিল। মনে মনে ভাবিলে ইমান অন্য মনস্ক হোৱা ভাল নহয়।

ইতিমধ্যে বাঘবন আহি হস্পিটেললৈ নামি যোৱা চিৰিটোত ভৰিৰ দিছিল। হঠাতে তাৰ ভৰিৰ ওচৰত বাগৰি পৰিল এজনী চৰিশ-পঁচিশ বছৰীয়া তিৰোতা। তিৰোতাজনী সম্ভৱ চিৰিটোৰ দাঁতিত কিছু আগৰ পৰাই বহি আছিল। বাঘবনে অলপ অস্বস্তি অনুভৱ কৰিলে। আচৰিতো হল। কাৰণ হস্পিটেলত মৃত শিশুৰ জন্ম হলে অথবা মালিক-বিহীন মৰাশ পৰি থাকিলে সিবোৰ পেলাবলৈহে অথবা হস্পিটেলৰ পায়খানা, নৰ্দমা আদি চাফ কৰাৰ নিচিনা লেতেৰা কাম-কাজ কৰিব লগীয়া হলেহে বাঘবনক মানুহে বা হস্পিটেল কৰ্তৃপক্ষই বিচাৰ-খোচাৰ কৰে। এনেয়ে কিন্তু তাৰ ওচৰ চপা মানুহ সি মনতে পেলাব নোৱাৰে। বৰং সি লক্ষ্য কৰিছে বেছি ভাগ মানুহে তাক দেখিলে ফালৰি কাটিহে যায়।

নিজৰ ভৰি দুখন তিৰোতা জনীৰ খামুচি ধৰা হাত দুখনৰ পৰা মুক্ত কৰিবলৈ বাঘবনে তিৰোতাজনীক দাঙিবলৈ চেষ্টা কৰিলে। কিন্তু তাকে কৰিবলৈ লওঁতে সি অনুভৱ কৰিলে তিৰোতাজনীয়ে যেন তাইৰ শৰীৰৰ সমস্ত ভাৰ তাৰ ওপৰত এৰি দিছে। অকল সেয়ে নহয়, তিৰোতাজনীয়ে কিবা এক যন্ত্ৰণাত কেকাবলৈ আৰম্ভ কৰি দিলে। তাইৰ গাত ডিচেম্বৰৰ জাৰতো ঘম বিৰিঙি উঠা সি দেখিবলৈ পালে।

জীৱন আৰু মানুহ সম্পৰ্কে বাঘবনৰ অভিজ্ঞতা নিচেই কম। জীৱনৰ বেছিভাগ সময়ে সি মৰাশ তাৰ লেতেৰা কাম কাজৰ মাজত থাকিয়ে কটাই দিছে। সেইবাবে সম্ভৱ সি জীৱন আৰু মানুহ সম্পৰ্কে অনভিজ্ঞই নহয়, উদাসীনো। তথাপি সমুখৰ তিৰোতা গৰাকীক দেখি সি তাৰ সহজাত ধাৰণাৰে তৎক্ষণাত অনুমান কৰি লব পাৰিলে যে তিৰোতাজনী আসন্ন প্ৰসৱা আৰু অত্যাধিক যন্ত্ৰণা ক্লিষ্ট।

হস্পিটেললৈ নিতে আসন্ন প্ৰসৱা বহু মাতৃ আহে। বহু মাতৃয়ে নৱজাতকক কোলাত লৈ হস্পিটেলৰ পৰা হাঁহি মুখে বিদায় লয়। আকৌ অধিক সন্তান জন্ম দিয়া বহু মাতৃয়ে মুখত চিন্তাৰ ৰেখা আঁকি হস্পিটেলৰ পৰা নৱজাতকক কোলাত লৈ আতৰি যায়। আৰু দুৰ্ভগীয়া বহু মাতৃয়ে জন্মৰ লগে লগে সন্তানক হেৰুৱাই বাঘবনৰ সন্তুষ্টি আৰু লাভৰ কাৰণ হৈ হস্পিটেলৰ

পৰা চকুলো টুকি টুকি আতৰি যোৱাও ৰাঘৱনে তাৰ দুয়োটা চকুৰে যোৱা পঁচিশটা বছৰে দেখিয়ে আহিছে। অথচ কোনো দিনে এইবোৰৰ প্ৰতি সি অকণো আগ্ৰহ, কৌতুহল বা বেদনা অনুভব কৰা নাই। এয়া যেন এক অৱশ্যম্ভাবী গতি– এনে এক ধাৰণা লৈয়ে ৰাঘৱনে এইবোৰ প্ৰত্যক্ষ কৰি আহিছে।

তিৰোতাজনীৰ কেঁকনি ক্ৰমান্বয়ে বাঢ়ি আহিছিল। তাই ঘন ঘনকৈ উশাহ লবলৈ আৰম্ভ কৰিছিল। ৰাঘৱনে বৰ অসহায় অনুভৱ কৰিবলৈ ধৰিলে। এনে পৰিস্থিতিত সি আগতে কেতিয়াও পৰা নাই। এতিয়া সি কি কৰিব বা কি কৰা উচিত হব সি এক মুহূৰ্তমান ভাবি চালে। তিৰোতাজনীৰ দায়িত্ব লবলৈ তাইৰ লগত আন কোনোবা আছে নেকি সেই ভাৱত সি ইফালে সিফালে চালে। কিন্তু দেখিলে তাৰ চাৰিওফালৰ সকলো যেন নিজ নিজ কামত ব্যস্ত। ৰাঘৱনৰ ফালে বা তিৰোতাজনীৰ ফালে চাবলৈ কাৰো যেন আহৰি নাই। উপায় নাপাই সি তিৰোতাজনীক সুধিলে–

'তোৰ লগত আৰু কোন আহিছে?'

'মই অকলে আহিছো।'

'এনে অৱস্থাত তই কিয় অকলে আহিছ? তোৰ মতাটো ক'ত?'

'চাকৰি কৰে। ছুটী নাপালে।' তিৰোতাজনীয়ে চমুকৈ কলে।

যৈনীয়েকৰ এনে অৱস্থাতো ছুটী নোপোৱা কথাটো শুনি ৰাঘৱন সঁচাই আচৰিত হৈছিল। সেয়ে লগে লগে সি তাইক সুধি পেলালে 'কি ইমান ডাঙৰ চাকৰি কৰে অ' তোৰ মতাটোৱে যে এই অৱস্থাতো ছুটী নাপালে?

'চকীদাৰৰ চাকৰি। আজি অফিচৰ বৰ চাহাবৰ সৰু জীয়েকৰ জন্ম দিন। চাহাবৰ ঘৰত কাম কৰিব লাগে। সেয়ে ছুটী নাপালে।

তিৰোতাজনীয়ে খুব কষ্টেৰে কোৱা কথাখিনি শুনাৰ পিছত ৰাঘৱন আচৰিত হোৱা নাছিল, খঙো উঠিছিল তাৰ। মুখৰ ভিতৰতে সি ভোৰভোৰাই উঠিল– 'চালা কুত্তাৰ বাচ্চা ... ...।'

তিৰোতাজনীৰ ইতিমধ্যে কথা কোৱা শক্তি প্ৰায় লোপ পাইয়ে আহিছিল। তাই মাথোঁ অসীম অনুনয় ভৰা চকুদুটাৰে ৰাঘৱনৰ ফালে চাই আছিল।

উপায়হীন হৈ ৰাঘৱনে শৰীৰৰ সমস্ত শক্তি প্ৰয়োগ কৰি তাইক দাং-কোলাকৈ হস্পিটেলৰ ভিতৰলৈ লৈ গ'ল। আৰু ডাক্তৰৰ অনুমতি লৈ এটা চিটত ভৰ্ত্তি কৰি দিলে। তাৰ পিছত সি স্বস্তিৰ নিশ্বাস পেলালে। তাৰ অনুভৱ হল সি যে বিৰাট দায়িত্ব এটাৰ পৰা ৰেহাই পালে।

ৰাঘৱনৰ হাতৰ পৰা দায়িত্ব দূৰ হল যদিও আচৰিত ধৰণে তাৰ মনত্ কিবা এটা অহেতুক দায়িত্ব বোধে খোপনি পোতা যেন সি অনুভৱ কৰিলে। দুপৰীয়া ভাত সাজ খাবলৈ যোৱাৰ আগতে সি সেয়ে তিৰোতাজনীৰ খবৰ লবলৈ গল। খবৰ লৈ জানিব পাৰিলে তিৰোতাজনীৰ তেতিয়াও প্ৰসৱ হোৱা নাই। তাই যন্ত্ৰণাত জীয়াতু ভুগি আছে যদিও ডাক্তৰৰ মতে যি কোনো সময়তে প্ৰসৱ হোৱাৰ সম্ভাৱনা।

ৰাঘৱনৰ অন্তৰৰ কোনোৱা এটা অংশ বিষাই উঠিল। তাৰ বাবে এয়া এক অজান অনুভূতি– আনন্দ, বেদনা নে কৌতুহল সেয়া সি থিক উপলব্ধি কৰিব নোৱাৰিলে। সি দুপৰীয়াৰ সাজ খাবলৈ নোযোৱাটোকে ঠিক কৰিলে। হস্পিটেলৰ পিছফালে থকা পাবুৰ দোকানৰ শুকান বুটি দুখন আৰু চাহ এগিলাচ খাইয়ে কটাই দিলে। আনকি ৰাতিও তিৰোতাজনীৰ প্ৰসৱ নোহোৱা আৰু জীয়াতু ভোগা বাতৰিয়ে তাক ঘৰলৈ যোৱাৰ পৰা বিৰত কৰিলে। যাব খুজিও সি ঘৰলৈ যাব নোৱাৰিলে কিবা যেন এক অজান

শক্তিয়ে মোহাচ্ছন্ন কৰি তাক হাস্পিটেলৰ চৌহদতে আবদ্ধ কৰি ৰাখিলে। হস্পিটেলৰ এফালৰ পৰা আন ফাললৈ ঘুৰা-পকা কৰি চৰম উৎকণ্ঠাৰে আৰু উজাগৰে কটাই দিলে সি গোটেই নিশা ।

ৰাতিপুৱা পুনৰ খবৰ লবলৈ গৈ সি যেতিয়া তিৰোতাজনীৰ কোঠাৰ কাষত থিয় হৈছিল, সি শুনিবলৈ পাইছিল এক নৱজাতকৰ ক্ৰন্দন। নাৰ্চৰ অনুমতি লৈ ভিতৰলৈ গৈ দেখা পাইছিল তিৰোতাজনীৰ কোলাত এটি উজ্বল শিশু। জীৱনৰ নতুন ছন্দ সুৰত আত্মহাৰা এক নতুন পুৰুষ। কেচুৱাটোলৈ লক্ষ্য কৰি ৰাঘৱনৰ অন্তৰ পুলকিত হৈ উঠিছিল। দিনৰ পিছত দিন মৰাশ, মৃত শিশুৰ লগত ব্যস্ত হৈ থকা ৰাঘৱনে পোন প্ৰথম বাৰৰ বাবে যেন আবিষ্কাৰ কৰিলে জীৱনৰ অন্য এক অৰ্থ। আনন্দত সি নিজকে হেৰুৱাই পেলালে। পাহৰি গ'ল সি বিগত দিন আৰু ৰাতিৰ অনাহাৰ, অনিদ্ৰাৰ যন্ত্ৰনা। পাহৰি গল ইমান দিনে সাঁচি অহা পৃথিৱীৰ অৱজ্ঞা, গ্লানি আৰু ভাব বিণিময়ত পৃথিৱীক জীৱনক দেখুৱাই অহা তাৰ চৰম উদাসীনতা। অজ্ঞানিতে তাৰ ইটাবৰণৰ খহটা মুখখনৰ নাকটোৰ থিক তলৰ পৰা আৰম্ভ হোৱা প্ৰকাণ্ড গোফ কোচাৰ তলৰ পৰা ওলাই আহিল এটি অকপট বিমল হাঁহি ।

তিৰোতাজনীয়ে দেখিবলৈ পালে ৰাঘৱনৰ মুখখনৰ পৰা নিৰ্গত হোৱা সেই হাঁহি । সংসাৰত দেখিবলৈ পোৱা হাঁহিবোৰৰ ভিতৰত সেই হাঁহিটোৱে তাইৰ আটাইতকৈ পবিত্ৰ আৰু বিশুদ্ধ যেন লাগিল । × × ×

বন্ধু, তুমি কিহৰ কাৰণে কান্দিছা (আক্ষেপ কৰিছা)? তোমাৰ অন্তৰত সকলো শক্তি নিহিত আছে। হে মহিয়ান, তোমাৰ সৰ্বশক্তিমান স্বৰূপ জগাই তোলা; দেখিবা দৃশ্যমান এই গোটেই বিশ্বজগৎ তোমাৰ পদতলত পৰিব। আত্মাৰেই সৰ্বত্ৰ প্ৰভুত্ব, পাৰ্থিৱ বস্তুৰ নহয়। যিবোৰ মুৰ্খ মানুহে নিজৰ দেহটোকে আত্মা বুলি ধৰে তেনেলোকেহে কৰুণভাৱে কয় আমি বৰ দুৰ্বল। জাতিয়ে এতিয়া বিচাৰে বীৰত্ব আৰু বৈজ্ঞানীক প্ৰতিভা। আমাক লাগে মহৎ প্ৰাণ, বিৰাট শক্তি আৰু অসীম উৎসাহ, স্ত্ৰীসুলভ দুৰ্বলতা নালাগে। কৰ্মপৰায়ণ বীৰহৃদয় পুৰুষকহে লক্ষ্মীয়ে আশ্ৰয় কৰে। অতীতৰ ফালে চাবৰ প্ৰয়োজন নাই। আগবাঢ়া - আগৰ ফালে চোৱা - আমাক লাগে অসীম শক্তি, অদম্য উৎসাহ, দুৰ্জয় সাহস আৰু অসীম ধৈৰ্য্য— তেতিয়াহলেহে আমি মহৎ কাৰ্য সাধন কৰিব পাৰিম।

— স্বামী বিবেকানন্দ—

শ্ৰীশংকৰ মহন্ত
২য় বাৰ্ষিক, স্নাতক–মহলা

খবৰটো সি বজাৰতে পালে। গধূলি বজাৰত সি কিন্তু কাকো সুধিবলৈ যোৱা নাছিল। এজন লৰাইহে তাক কলে ' জেঠাই তহতৰ ৰঘু পাছ কৰিছে। প্ৰথম বিভাগ পাইছে। খানা খুৱাব লাগে।'

'খানা'!– এটা বিষাদৰ হুমুনিয়াহেৰে সৈতে শব্দটো বাহিৰ হৈছিল ঘনকান্তৰ। 'এহ্‌! মোৰ ল'ৰা আজি প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিছে'। কিমান গৌৰৱৰ কথা। কিন্তু ঘনকান্তই আৰু ভাবিব নোৱাৰিলে। চকুৰ পতা কৰ নোৱাৰাকৈয়ে নিগৰি ওলাই আহিল দুটোপাল চকুলো। একেথৰে চাই থাকিল সন্মুখত থকা ডাঙৰ শিলকেইটাৰে নওঠা পাহাৰ খনলৈ। এনেকৈ কিমান সময় পাৰ হৈছিল সি কব নোৱাৰে।

হঠাৎ 'পাণৰ মুঠাৰ দাম কিমান' বুলি সোধা গ্ৰাহকৰ মাতত ঘনকান্তৰ চিন্তাৰ আত চিগিল আৰু ঘেৰঘেৰীয়া মাতেৰে কলে–' ষাঠি পইচা। কিমান দিম?' কান্ধত মেৰিয়াই লোৱা পুৰণা গামোচাখনেৰে মুখখন মচি ঘনকান্তই কলপাত এডোখৰ চিৰি লৈ পাণ চাৰি মুঠা বান্ধি গ্ৰাহকক বিদায় দিলে

আকৌ তাৰ মনৰ দাপোনত ভাহি উঠিল সেই খবৰটো। কি সুন্দৰ খবৰ, কি আনন্দৰ বাৰ্তাৰে গনেশ মহাজনৰ লৰাই আজি এই সৌভাগ্য কঢ়িয়াই আনিলে নিশ্চয় এখন চাহ দোকান বুক কৰিলেহেতেন; ঘৰত এটা বিৰাট ভোজৰ ব্যৱস্থা কৰিলেহেতেন। কিন্তু ঘনন্তকাৰ যেন মূৰটো বিষাবলৈ ধৰিলে। দোকান সামৰি ভাৰখন কান্ধত তুলি লৈ ঘৰলৈ খোজ দিলে। তথাপি কিন্তু তাৰ মনৰ ভাৱটো এৰা নপৰিল বাটত অকল শৰীয়া অৱস্থাত তাৰ মন সাগৰত বিভিন্ন ভাৱৰ জোৱাৰ উঠিবলৈ ধৰিলে।

ঘনকান্তৰ চকুৰ আগত ভাহি উঠিল ৩০ বছৰ আগৰ সেই দিনবোৰৰ কথা। এনে এটা দিনত সি ৩০ বছৰ আগতেও কান্দিছিল। সিদিনাও সি কান্দিছিল দুখত আৰু আজিও দুখতে কান্দিছে। সিদিনাও দিছিল এটা মেট্ৰিক পৰীক্ষাৰ বিজাল্ট। যিটো পৰীক্ষাত ঘনকান্তই নিজে পাছ কৰিব নোৱাৰ কান্দিছিল। গাওঁৰ মানুহে বুজাইছিল— 'নাকা ন্দিৰি, অকল কিব। তইহে ফেল কৰিছনে? যা ভাত কেইটা খাই ল'।" মাকে কৈছিল–" দুখ কৰি কি লাভ হব বোপা, কপালত নাই।" ককায়েকে কৈছিল–" কালিৰ পৰা হালত ধৰিবি, দুনিয়াৰ টকা বোৰ খৰচ কৰি একো কামত নাহিল।" সিমানতেই শেষ হৈছিল ঘনকান্তৰ শিক্ষা জীৱন। সি সোমাই পৰিছিল কেকোবা নাঙলৰ সৈতে পথাৰৰ মাজত। পৈতৃক সম্পত্তি বাৰ বিঘা খেতি মাটিৰ ধানেৰে বছৰটো ভালকৈয়ে খাব পাৰিছিল। পৰিয়াল আছিল কম। দেউতাক, সবুতে ঢুকাইছে। মাক, ককায়েক–বৌৱেক, সিহঁতৰ লৰা-ছোৱালী তিনিটা আৰু তাৰ সৈতে ঘৰখনত সাতোটা পৰিয়াল। দুই ভাই-ককাইৰ হাড় ভঙা পৰিশ্ৰমৰ ফলত ঘৰখন দেখাত সুন্দৰ হৈ উঠিছিল।

এদিন মাকে তাক কৈছিল—' বোপা ঘন, মোৰ আৰু যাবলৈ বেছি দিন নাই। তোৰ বিয়াখন চাব

পাৰিলে শান্তিৰে যাব পাৰো।' ককায়েকেও কথাটোত মন দিছিল। ওচৰৰ গাওঁৰে হৰকান্তৰ মাজু ছোৱালীজনী চাই-মেলি থিক কৰিছিল তালৈ বুলি। আনন্দ মুখৰ পৰিবেশৰ মাজেৰে তাৰ জীৱনৰ শুভ দিনটো পাৰ হৈছিল। তাৰ এবছৰ পিছতে ঘনকান্তৰ মাকেও বিদায় লৈছিল নিজৰ গন্তব্য-স্থানলৈ।

হাহি খেমালিৰে পাৰ হৈছিল সিহঁতৰ বৈবাহিক জীৱনৰ সুদীৰ্ঘ ছয়টা বসন্ত। সিহঁতৰ জীৱনৰ মাজলৈ আহিছিল তিনিটা লৰা-ছোৱালী। কিন্তু তাৰ পাছত ঘনকান্তৰ আৰু ককায়েকৰ লগত একে লগে থকা খোৱাৰ সৌভাগ্য নহ'ল। কথাতে কয় বোলে—'ভাই ভাই হলে ঠাই ঠাই হব লাগে।' তেওঁলোকৰ অৱস্থাও একে হল।

সামান্য কথা এটাৰ বাবে দুই ভাই-ককাইৰ মাজত গৃহ কন্দল লাগি দুটা পৰিয়ালত বিভক্ত হব লগা হল। সেইদিনা আছিল শাওঁনৰ ১৭ তাৰিখ। ঘনকান্তই সান্ধিয়া পথাৰৰ পৰা আহি পদুলি মুখত ককায়েকৰ সৰু লৰা মুকুলে শৌচ কৰি থকা অৱস্থাত দেখা পালে। খঙৰ ভমকত ঘনকান্তই বৌৱেকক কিবা কিবি কলে। আৰু তাতেই কাজিয়াৰ সূত্ৰপাত। পিছদিনা পথাৰৰ পৰা আহি ঘনকান্তই দেখে চোতালত গাওঁৰ মুখিয়াল মানুহ কেইজনমান বহি গুণ গুণাই মেল কৰি আছে। প্ৰথমতে কথাটো সি তলাকৈ পৰা নাছিল। বৌনীয়েকক সোধাতহে আচল কথাটো গম পালে। গাওঁৰ গাওঁবুঢ়াই তাক মাতি সুধিলে—"হেৰি নহয় ঘনকান্ত, তহঁতে বোলে চৰু বঢ়াবলৈ খুজিছ ? তোৰ মতামত কি ?" গাওঁবুঢ়াৰ কথা শুনি, তাৰ বেয়াও লাগিছিল আৰু খঙো উঠিছিল। সি কলে—'সামান্য কথা এটাটে যদি সিহঁতৰ বেলেগে খাবৰ মন গৈছে মোৰ একো আপত্তি নাই। কিন্তু মই হলে তেনে মনোভাব লৈ কথাটো কোৱা নাছিলো।" তাৰ কথাৰ শেষ নহওঁতেই ককায়েকে তপৰাই মাত লগাই কলে—'এতিয়া সাধু পুৰুষ ওলাইছে. কিবা কব লগা থাকিলে মোক কব লাগে, পেটে পেটে যুজি ঘৰৰ তিৰোতাৰ আগত কিহৰ বাহাদুৰী। মই হলে বাইজ তাৰ লগত নাথাকো"

এনেকৈয়ে দুই ভাই-ককাইৰ মৰমৰ এনাজৰিডাল চিঙি দদোখৰ হৈছিল। ঘনকান্তই পৈতৃক সম্পত্তি হিচাপে লাভ কৰিছিল - সি থকা ঘৰটো, গাওঁৰ উত্তৰ ফালৰ মাটি ছয় বিঘা, হালৰ গৰু এহাল আৰু বন্ধা বঢ়া সজুলি যেনে হাড়ি-চৰু, কাহি-বাটি ইত্যাদি। নতুনকৈ বস্তি এটা গঢ় তুলিবলৈ কিমান টকাৰ দৰকাৰ সেইটো সকলোৱে জানে, ঘনকান্তইয়ো জানিছিল। কিন্তু তাৰ ফুটাকড়ি এটাও জমা নাছিল। তাৰ ফলত ভাগত পোৱা পৈতৃক সম্পত্তিৰ ঘৰটো পোন্ধৰশ টকাত বিক্ৰী কৰাৰ উপৰিও বুপিত মাতি এবিঘ বন্ধকতা দিব লগা হৈছিল।

তিনিটা বছৰ এনেকৈয়ে পাৰ হৈছিল ঘনকান্তৰ। কিন্তু, 'বিধিৰ লিখন নযায় খণ্ডন' বোলা কথাষাৰ ঘনকান্তৰ জীৱনত বাবুকৈয়ে ফলিয়ালে। সেই বছৰে ভাদ মাহত তাৰ হালৰ গৰু এটা 'গল বাঘা' বেমাৰ হৈ মৰি থাকিল। উপয়ন্তৰ হৈ আকৌ এবিঘা খেতিৰ মাটি বন্ধকত দি হালখন যোগাৰ কৰিছিল। ইফালে ঘৰৰ পৰিয়ালৰ সংখ্যাও আঠত ভৰি দিছিল। ফলত খেতিৰ ধানেৰেও বছৰটো খাব নোজোৰা অৱস্থা হল। এই এশ একুৰি সংসাৰৰ বোজাই ঘনকান্তৰ মূৰৰ চুলিৰ ৰং বগা কৰিলে। শেষত মাজু লৰাটোকে হালত লগাই নিজে বেপাৰ কৰিবলৈ মনস্থ কৰিলে। বেংকৰ পৰা ৩০০ টকা ঋন লৈ পাণ-তামোলৰ বেপাৰ আৰম্ভ কৰিলে। এনেদৰে ঘনকান্তৰ পদোন্নতি হল খেতিয়কৰ পৰা বেপাৰীলৈ। ইখন বজাৰৰ পৰা বস্তু আনি সিখন বজাৰত বেচি যি অলপ লাভ পায়, তাৰে তেল-নিমখখিনি কিনিব পৰা হ'ল।

আজি কোনে ঘনকান্তক মেট্ৰিকৰ দেওনাৰ ওচৰ চপা মানুহ বুলি কব। তাৰ একালৰ সহ পাঠীবিলাক আজি সমাজৰ একো একোজন ভদ্ৰলোক, এৰা!

শিক্ষিত ভদ্রলোক। তেওঁলোকে তাক মাতিবলৈ লাজ পায়, তাৰ লগত সমানে সমানে খোজ কাঢ়িবলৈ লাজ পায়। তেওঁলোকৰ সন্মান যাব। কিন্তু! সিওটো মানুহ, তাৰোতো এটা মন আছে। জীৱন-বাটৰ দুৰ্ভাগ্যৰ কাইটবোৰ গুচাব নোৱাৰা বাবে সি আজি বেপাৰী। এৰা! ঘনকান্ত আজি বেপাৰী। সি বেপাৰহে কৰি খাইছে, চুৰতো কৰা নাই। তাৰ আজি বন্ধু হাঁহিম বঞ্জৰৰ গাৰো, খাচিয়া পাণ বেপাৰী আৰু ধুঁপধাৰা বজাৰৰ তামোলবেপাৰী সকল। তাক আজি চিনি পায় বজাৰৰ সাধাৰণ মানুহখিনিয়েহে।

এইদৰে সি চলাই আছে আঠটা পৰিয়ালৰ সংসাৰখন। তথাপি সি ভাওঁৰ লৰা ৰঘুক পঢ়াবলৈ এৰা নাই। সি তাৰ ওপৰত বহু আশা পুহি ৰাখিছে। মেট্ৰিকটো পাছ কৰাব পাৰিলে কিজানি কিবা এটা সুবিধা পায়েই। আজিকালি মেট্ৰিক পাছ নহলে অফিচাৰ, কেৰাণীটো বাদেই, পিয়ন, চাকদাৰো হোৱা টান।

সি মনতে ভাবি থৈছিল, ৰঘুই কোনো মতে মেট্ৰিক পাছ কৰিলে আৰু নপঢ়ায়। পঢ়াবই বা কৰ পৰা? সি গাঁৱৰ ভদ্ৰেশ্বৰৰ মুখত শুনিছে কলেজত বোলে যিহে খৰচ। আজি কি এড্মিচন, কালি বোলে টিউচন ফিজ, ইফালে গাড়ী ভাড়া, সিফালে কিতাপ-পত্ৰ ইত্যাদি ইত্যাদি লেখিব নোৱাৰা হিচাপ। তাতে তাৰ ঘৰত মাঘ বিহুৰ পিছৰ পৰা কিনা চাউল নহলে চবু কাটি হোৱাতো নিয়মত পাৰণত হৈছে।

কিন্তু, আজি কি সতে সি ৰঘুক পঢ়িবলৈ বাধা দিয়ে; তাৰ আগ্ৰহক সি কোনখন হাতেৰে ধৰি ৰাখে? যোৱা বাৰ টেষ্ট পৰীক্ষা দি সি হাজিৰা কৰি টকা আনিছিল মেট্ৰিকৰ ফৰ্ম ফিলাপৰ কাৰণে। তথাপিও সি প্ৰথম বিভাগত পাছ কৰিছে। ঘনকান্তই আশাই কৰা নাছিল। আজি যদি এনে অৱস্থাত সি তাক পঢ়া বাদ দিবলৈ কয় তাৰ উঠি অহা মনটো অকালতে মৰহি যাব। সি জানো মাতি হব!" কিন্তু, ঘনকান্তই কৰিবই বা কি? বিষাদৰ কুঁৱলীয়াহ এটি অন্তৰৰ পৰা কৰ নোৱাৰাকৈয়ে ওলাই আহিল ঘনকান্তৰ।

জীৱন নাটৰ প্ৰতিটো দৃশ্য অন্তৰত ৰোমন্থন কৰি থাকোতেই যে খোজৰ গতি লেহেম হৈছিল সি অনুভৱ কৰা নাছিল। হঠাৎ ৰাস্তাৰ শিল এটা আৰু তাৰ ভৰিৰ বুঢ়া আঙুলিটোৰ মাজত সংঘৰ্ষ হোৱাৰ ফলত সি—"উহ ৰাম" বুলি কৈ থিয় দিলে। হেতিয়াহে সি ধৰিব পাৰিলে যে ঘৰ পাবলৈ আৰু এক কিলো মিটাৰ বাকী। কান্ধৰ ভাৰখন সলাই লৈ আকৌ খোজ আৰম্ভ কৰিলে সি।

সন্মুখৰ কাঠৰ দলংখনৰ ওপৰত ভৰি দিয়াৰ লগে লগে তাৰ মনত পৰিল আন এটা কথা। গাৰ্ডবে ইংৰাজী শিক্ষক হবেণে এদিন সেই দলংখনৰ ওপৰতে থিয় হৈ তাক কৈছিল—'ঘনকাই ৰঘুক তই পঢ়াবলৈ এৰি নিদিবি। তাৰ মগজুত কিবা এটা আছে। বহী পত্ৰ লাগিলে আমি অলপ সহায় কৰি দিম।" সহায় অৱশ্যে কৰিছিল হবেণে। অকল হবেণ মাষ্টৰে নহয়, আন মাষ্টৰ সকলেও তাক সহায় কৰিছিল, মৰম কৰিছিল। ক্লাচ নাইনৰ পৰা সি পুতেকক এখিলা কাগজো কিনি দি পোৱা নাই। লগৰ লৰা-ছোৱালীবোৰেও তাক মৰম কৰিছিল। কাৰ পৰা যে সি কিতাপ সংগ্ৰহ কৰিছিল, নোট আনি লিখিছিল সেইবোৰৰ প্ৰতি ঘনকান্তৰ খবৰ নাছিল। খবৰ লবই বা কেনেকৈ? ৰাতিপুৱাই কিবা অলপ মুখত দি খোজ লয় বজাৰ অভিমুখে। বজাৰৰ পৰা এখন ভাৰৰ বস্তু লৈ ঘৰ পায় মানে বেলি লহিয়ায়। থিয়লবে গাধুই ভাত খায় উঠিলেই যাবৰ হয় গধূলি বজাৰলৈ। গধূলি বজাৰৰ পৰা আহি পাওতে ৰাতি ৭/৮ টা বাজে। গতিকে সি নিজৰ কথাকে ভাবিবলৈ সময় নাপায়। এয়ে

তাব জীৱনৰ দৈনিক ৰুটিন।

কেতিয়াবা তাব মন যায় পুতেকৰ কাষত বহি কিবা এটা সুধিবলৈ, কিন্তু মন গলেই বা হ'ব কি ? দিনৰ দিনটো কঠোৰ পৰিশ্ৰমৰ পিছত সি যে তাব লৰাৰ লগত পঢ়াৰ বিষয়ে কিবা এষাৰ আলোচনা কৰিব ভাবিবই নোৱাৰে। এনেকৈয়ে সি দুখৰ মাজতে চলি আছে যন্ত্ৰ মানৱৰ দৰে। তথাপি ইমান দুখৰ মাজতো আজি যেন তাব গাটো পাতল লাগিছে, মনটো আনন্দত নাচি উঠিছে।

জীৱনত এই সপ্ত-কাণ্ড ৰামায়ন মনত ভাবি ভাবি কেতিয়া ঘনকান্তই ঘৰৰ পদূলি মুখ পালে কবই পৰা নাছিল। হঠাৎ এটি কান্দোন সনা মাতে তাক স্থিৰ কৰি দিলে—'আই, এইতে মোক বাধা নিদিবি। মই কলেজত পঢ়িমেই ; হাজিৰা কৰি হলেও মই কলেজত নাম লগাম ? ভঙা ভঙা কথা কেইটা শুনি ঘনকান্তৰ আৰু বুজিবলৈ বাকী নাথাকিল। তাব বুকুখন বিষাবলৈ ধৰিলে, আকৌ এবাৰ ওলাই আহিল দুচকুৰ পৰা দুধাৰী তপত চকুলো।

"যি জাতিৰ ল'ৰাই নিজৰ মাতৃ-ভাষাৰ শিক্ষা নলৈ বিদেশী ভাষাৰ কামেৰে শিক্ষা লয়, সেই জাতিয়েই আত্মহত্যা কৰে। এইটোও সিহঁতক জন্মগত অধিকাৰৰ পৰা বঞ্চিত কৰা হয়। বিদেশী ভাষাৰ যোগে ল'ৰাবিলাকৰ শিক্ষাৰ বেছি চাপ পৰে আৰু সিহঁতৰ মৌকতা নষ্ট হয়। ঘৰৰ পৰাও সিহঁত বেলেগ হৈ পৰে। এই কাৰণেই মই এই কামটো জাতিৰ পক্ষে অশুভ বুলি ভাবো।"

# পতাকা

ফজলুৰ ৰহমান খান
২য় বাৰ্ষিক, স্নাতক মহলা

চাবি দিয়া পুতলাৰ দৰে ৰজত মাষ্টৰে দুই কিলোমিটাৰ পথ খোজ কাঢ়ি আহি চোতালত পৰি থকা মূঢ়াটোত বহি পৰিল। তেওঁৰ বৰ ভাগৰ লাগিছিল। দুই কিলোমিটাৰ নহয়, যেনিবা দুই যোজনৰ বাটহে বাট-কুৰি বই আহিছে। তেতিয়া বেলি মূৰৰ ওপৰত উঠিছে। দুপৰীয়া ভাত খোৱাৰ সময় হৈছিল। ঘৈণীয়েকে ভাত হোৱাৰ কথা নেওৰবাই দি গ'ল। ঘৈণীয়েকৰ কথাষাৰ তেওঁৰ কাণতেই নোসোমাল। দ্বিতীয়বাৰৰ বাবে ঘৈণীয়েকে ভাত খাবলৈ মাতহে তেওঁৰ সম্বিত ঘুৰি আহিল। নিত্য-নৈমিত্তিকৰ দৰেই মুখ-হাত ধুই ৰজত মাষ্টৰে ভাতৰ পাতত বহিল গৈ। অনিচ্ছাকৃত ভাবেই কেইগৰাহমান ভাত খাই মুখ ধুবলৈ বুলি পানীৰ লোটাটো লৈ বাহিৰলৈ ওলাই আহিল। ঘৈণীয়েকে আচৰিত হৈ সুধিলে—'ভাত নাখালেই দেখোন। কিবা অসুখ-বিসুখ হৈছে নেকি ?' উত্তৰত ৰজত মাষ্টৰে এনেয়ে কিবা আভোক-আভোক লগা বুলি কৈ থলে। বটাটোৰ পৰা তামোল এখন লৈ মুখত ভৰাই জিৰণি লওঁ বুলি বিচনাত পৰিলগৈ।

বাতিপুৱাৰ ঘটনাটো ৰজত মাষ্টৰৰ বাবে অকল আকস্মিকেই নহয়, অপ্ৰত্যাশিতও আছিল। অপ্ৰত্যাশিত আছিল এই বাবেই যে, কথাটো যদি সদাৰি হৈ যায় আৰু ওপৰ মহলৰ কাণত পৰেগৈ, তেন্তে সিয়ে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব। সেই প্ৰতিক্ৰিয়াই তেওঁৰ চাকৰিৰ নিৰাপত্তাৰ কাৰণে ভাবুকিৰো সৃষ্টি কৰিব পাৰে। অৱসৰ লবলৈ আৰু মাথো দুটা বছৰ আছে। তেওঁ মনত পেলাবলৈ চেষ্টা কৰিলে চাকৰি জীৱনত যোৱা একুৰি পোন্ধৰ বছৰৰ সময় ছোৱাত কাৰোবাৰ পৰা, বিশেষকৈ তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা এনে এষাৰ কথা শুনিছেনে নাই। ক'তা, এনেকুৱা কথা কন কন লৰা-ছোৱালীবোৰৰ পৰা শুনা তেওঁৰ মনত নপৰেচোন।

কথাষাৰ এনেয়ে একেবাৰে সাধাৰণ আছিল। এই সাধাৰণ কথাষাৰেই ৰজত মাষ্টৰৰ বাবে এনে এটি তাৎপৰ্যপূৰ্ণ দিনত অসাধাৰণ হৈ দেখা দিছে। বছৰে বছৰে এই দিনটো আহে। এই দিনটোৰ সুকীয়া তাৎপৰ্য আছে। এই তাৎপৰ্য, বছৰটোৰ কোনো এটি দিনতে মনলৈ নহা তাৎপৰ্য। ব্ৰহ্মমুহূৰ্তৰ পৰা দিনটোৰ শেষলৈ ভাগে ভাগে চৰকাৰী ভাবে নিৰূপণ কৰা কাৰ্য-সূচীৰে দিনটো পালন কৰাৰ গতানুগতিকতা চলি আহিছে। আন বহুতৰ দৰেই তেওঁৰো তাৎপৰ্যৰ গভীৰতালৈ নোযোৱাকৈ এই দিনটোৰ কাৰ্যসূচীত যোগদান কৰি আহিছে। পোৱা নোপোৱাৰ হিচাপ কৰা নাই। কিবা-কিছু নোপোৱাৰ বাবে কোনো দিন মুকলিকৈ কাৰো ওচৰত তেওঁ অভিযোগো কৰা নাই। অথচ অভিযোগ কৰিবলগীয়া বহু কথাই তেওঁৰ আছিল। তেওঁৰ

মনত পৰিল একুৰি পোন্ধৰ বছৰ আগতে পাওয়-বৰ্জিত, সকলো ফালেই পিচ পৰা এখন গাওঁৰ পৰা গৈ পঞ্চাশ কিলোমিটাৰ আঁতৰত থকা হাইস্কুলখনৰ পৰা মেট্ৰিক পাছ কৰাৰ কথা। ঘৰৰ আৰ্থিক অৱস্থা ভাল নোহোৱাৰ বাবে উচ্চ শিক্ষা লব নোৱাৰি গাওঁতে কেইজনমানৰ লগত লগ লাগি প্ৰাথমিক বিদ্যালয়খন প্ৰতিষ্ঠা কৰি শিক্ষক হোৱাৰ কথাও তেওঁৰ মনত সজীৱ হৈ আছে। বৌচ দৰে বেখাপাত কৰি আছে বিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ পৰা দহ বছৰ পিছলৈ চৰকাৰৰ পৰা কোনো ধৰণৰ সহায়-সাহায্য নোপোৱাৰ কথাই অভাৱ-অনাটন বোলকো ইমানদিনে ৰজত মাষ্টৰে জীৱনবে একে-কাঠ বুলি ধৰি লৈ আছিছে। কিন্তু আজি দহ বছৰীয়া প্ৰদীপ নামৰ তেওঁৰ ছাত্ৰ এজনৰ এষাৰ কথাই সকলো ওলট-পালট কৰি দিলে ; আজিৰ দিনা টোৰ বুকুত লুকাই থকা তাৎপৰ্য'ৰ কথা নতুনকৈ ভাবিবলৈ শিকালে। প্ৰদীপৰ কথা, তাৰ ঘৰখনৰ সকলো কথাই তেওঁৰ মনৰ মাজেৰে এটি এটিকৈ পাৰ হৈ যাবলৈ ধৰিলে

ৰজত মাষ্টৰৰ গাৱঁৰে পুনাৰামৰ পুতেক প্ৰদীপ। জীয়াই থাকিবৰ বাবে পুনাৰাম আৰু ঘৈনীয়েকে অশেষ কষ্ট কৰিবলগীয়া হয়। ভেটিমাটি খিনিৰ বাহিৰে সিহঁতৰ আন মাটি বুলিবলৈ নাই। পাহাৰত খৰি কাটি বিক্ৰী কৰে। তাতে আকৌ ভুতৰ ওপৰত দানহ পৰাদি 'ফৰেষ্টৰ'ৰ মানুহবোৰে লটি-ঘটি কৰে। মাজে-সময়ে কাৰোবাৰ ঘৰত কাম ওলালে দিন হাজিৰাও কৰে। তিনিটা লৰা-ছোৱালীৰে পাচজনীয়া পৰিয়ালটো এসাজ খাই এসাজ লঘোনে থাকি চলি ঘৰৰ ডাঙৰ লৰা প্ৰদীপক মাক-বাপেকে দুখ-কষ্টৰ মাজেৰে হলেও পঢ়ুৱাবৰ মন। ছয় বছৰ পূৰ হলত বাপেকে প্ৰদীপক এদিন গাৱঁৰে প্ৰাথমিক বিদ্যালয়ত নাম লগাই দিলে। ৰজত মাষ্টৰক প্ৰদীপক গতাই দি তেওঁ কৈছিল–'মাষ্টৰ ল'ৰাটোক তোমাকে গতালো। আমাৰ কথাতো তুমি জানাই। 'ক'ৰ কেইটা চুক তাকেই নাজানিলো। ইহঁতক আমাৰ নিচিনাকৈ ৰাখিলে আমাক পাপে চুব। হাকিম-মুন্সিপৰ বাপেক হব খোজা নাই। দুসাজ খাব পৰাকৈ কিবা এটা হব পৰাৰ যোখাৰে হলেও হব। প্ৰদীপক মাষ্টৰে আগৰে পৰা জানে। নামটো লিখি থলে হাজিৰা বহীত। পুনাৰামৰ মুখত অনামী তৃপ্তিৰ উজ্বল আভাই ঢৌ খেলি গ'ল।

মাষ্টৰৰ চেষ্টাত প্ৰদীপ পঢ়া শুনাত ভালেই হ'ল। এটা এটাকৈ বছৰ বাগৰিল। প্ৰথম শ্ৰেণ'ৰ পৰা আহি আহি প্ৰদীপে চতুৰ্থ শ্ৰেণী পালে। পঢ়া-শুনাত ভাল হোৱাৰ উপৰিও প্ৰদীপ অলপ নিৰ্ভীক ধৰণৰ। মাজে সময়ে প্ৰদীপে কোৱা আচৰিত ধৰণৰ দুই এষাৰ কথাই মাষ্টৰক বিপাণ্ডত নেপেলোৱাও নহয়; কিন্তু তাৰ স্বভাৱ জানে বাবেই সিবোৰত তেওঁ বৰ বৌচ গুৰুত্ব আৰোপ নকৰে। আজি কিন্তু প্ৰদীপ নামৰ তেওঁৰ এইজন ছাত্ৰৰ এষাৰ কথাই অবাক কৰিলে। তেওঁক আতংকিতও কৰিলে। প্ৰতি বছৰে গতানুগতিক ভাবে এই পৰ্বৰ দিনটো আহে। পোন্ধৰ আগষ্টৰ স্বাধীনতাৰ দিনটো বেচ জাক-জমকতাৰে এইবাৰো আহিছে। ভাবিব-লগীয়া একো নাই। আন কালৰ দৰেই ৰজত মাষ্টৰে সকলো ছাত্ৰ-ছাত্ৰীকে সেইদিনা ৰাতিপুৱা সাত বজাত বিদ্যালয়ত উপস্থিত হবলৈ কৈছিল। নিৰ্দেশ মতেই ছাত্ৰ-ছাত্ৰীবোৰে বিদ্যালয়ত উপস্থিত হৈছিল। বিদ্যালয়-খনৰ পৰা প্ৰায় দুই কিলোমিটাৰ আতৰৰ গান্ধী মৈদানত সমবেত হৈ চৰকাৰী ভাবে পতাকা উত্তোলন কৰাৰ কথা তালৈকে সমদল কৰি 'শ্লোগান' দি যাব। ৰজত মাষ্টৰে প্ৰদীপৰ হাতত তিনিবৰণীয়া পতাকাখন দিলে আৰু এই বুলি 'শ্লোগান' দিবলৈ কলে —'স্বাধীনতা দিৱস জিন্দাবাদ, পোন্ধৰ আগষ্ট জিন্দাবাদ।' মাষ্টৰৰ নিৰ্দেশ মতে প্ৰদীপে 'শ্লোগান' দি ছাত্ৰ-ছাত্ৰীৰ সমদলটোৰ নেতৃত্ব দি গ'ল। বাকীবোৰে প্ৰদীপে দিয়া 'শ্লোগান' দোহাৰি গল। গান্ধীমৈদান পোৱাৰ পিছত প্ৰদীপৰ মুখৰ পৰা

হঠাতে 'শ্লোগান' ৰূপে ওলাই আহিল 'স্বাধীনতা দিৱস জিন্দাবাদ, খাব নাপাও শুদা ভাত।' কথাষাৰ শুনাৰ লগে লগেই খাতে একো নাই হৈ প্ৰদীপৰ গালত মাষ্টৰে এক পণহতীয়া চৰ বোধালে। সি হামকুৰি খাই মাটিত বাগৰি পৰিল। নাক আৰু মুখেৰে বোৱাই তেজ ওলাবলৈ ধৰিলে। হাতৰ তিনিবৰণীয়া পতাকাখন দূৰত ছিটিকি পৰিল। আকস্মাতে কি হল প্ৰদীপে তাঁৰ বই নোৱাৰিলে ওৰচতে থকা দুজনমান মানুহে তাক তুলি ধৰিলে। সি পিন্ধি থকা চোলাটো খুলি লৈ তাৰ নাক-মুখৰ ওলোৱা তেজবোৰে মচি দিলে। ৰজত মাষ্টৰে তাক খঙেৰে সুধিলে কিয় বাবু সি সেইদৰে 'শ্লোগান' দিছিল। প্ৰদীপে অলপ ভয় খাইছিল যদিও কলে 'চাৰ, পিতাই কালি খৰি এভাৰ বেচিবলৈ যাওঁতে ফৰেষ্টৰ মানুহে খৰি ভাৰ কাঢ়ি ললে। মাৰ-পিটও কৰিলে। হাত এখন লৰাব-চৰাব নোৱাৰা হল। চাউল পাত একো এটা আনিব নোৱাৰিলে। চাৰ আজি বাতিপুৱা একো খাবলৈ নাপালো। বাহী ভাত এটাও নাই। সেইবাবে হঠাতে কথাষাৰ ওলাই গল চাৰ' তৰ কথাষাৰ শুনাৰ লগে লগে মাষ্টৰে বৰ অসহায় অনুভৱ কৰিলে। কথাষাৰে তেওঁৰ ভিতৰত শুই থকা মানুহটোক যেন জোকাৰি দি গ'ল! তেওঁ উপলব্ধি কৰিলে স্বাধীনতাৰ চল্লিশ বছৰৰ পিছতো বিদ্যালয়খনৰ চাল দুখন টিনৰ নহল। চাৰিখন বেৰৰ ব্যৱস্থা নহল। লৰা ছোৱালীকেইটা বহিবলৈ কেইখন মান ডেস্ক-বেঞ্চ নহল। অৰ্দ্ধ-নগ্ন হৈ আজিও কন্ কন্ লৰা-ছোৱালীবোৰ বিদ্যালয়লৈ আহিব লাগে। ৰজত মাষ্টৰে আৰু ভাবিব নোৱাৰিলে।

ৰজত মাষ্টৰে দেখিলে এদল লৰা-ছোৱালী তেওঁৰ আগেৰে সমদল কৰি গৈছে। লেহাৰি চিঞৰই নোখোজে। সিহঁতে কিবা কিবি চিঞৰি গৈছে। সোঁৱা. সেইজন দেখোন তেওঁৰে ছাত্ৰ প্ৰদীপ। সি সমদলত ভাগ লৈছে। তাৰ হাতত পতাকা। সি বৰ আতংকেৰে. তেওঁৰ ফালে চাইছে। সি যেন কৈছে 'চাৰ' মোক আপুনি মিছাতে মাৰিলে। মইতো স'চা কথাই কৈছিলোঁ। মোৰ হাতৰ পতাকাখন পাৰ গৈছিল। সেইখন বুটলি লোৱাৰ সাহস মোৰ আৰু নহল। চাৰ, মোৰ একেটাই মাথো চোলা আছিল। তাকো মোৰ নাক-মুখৰ তেজেৰে ৰঙা কৰিলোঁ। তাৰেই এইখন পতাকা সাজি লৈছো। মোক আৰু নামাৰিব। চাৰ, এইখন পতাকা মোৰ বৰ মৰমৰ।' নাম ঘৰৰ ডবাৰ শব্দত ৰজত মাষ্টৰে সাৰ পালে। ডবাৰ কোবৰ প্ৰতিটো শব্দই আহি আহি হাতুৰীৰ কোব হৈ যেন তেওঁৰ বুকুত পৰিছেহি।

× × ×